আজিৰ কাকত আজিয়েই
অষ্টম বৰ্ষপূৰ্তিত
News Next Oneৰ
বিশেষ সংযোজন
অনলাইন দৈনিক

www.newsnextone.com
# e সংবাদ

Sacn to Donate
NEWSNEXTONE.COM

WEDNESDAY, MARCH 13, 2024 | www.newsnextone.comৰ অনলাইন দৈনিক ।। প্ৰথম বছৰ, সংখ্যা ৭৫ | Guwahati, Assam ।। মূল্যঃ এটকা

## যোৰহাটত গৌৰৱ, গুৱাহাটীত মীৰা, নগাঁৱত প্ৰদ্যুৎ

### ১২ সমষ্টিত প্ৰাৰ্থী ঘোষণা কংগ্ৰেছৰ

**ই-সংবাদ, ১২ মাৰ্চঃ** মধ্য অসমৰ সংখ্যালঘু ভোটাৰে নিৰ্ণায়ক ভূমিকা লোৱা সমষ্টি এৰি গৌৰৱ গগৈয়ে যোৰহাট সমষ্টিত নিৰ্বাচন খেলাটো খাতাং হ'ল। কংগ্ৰেছৰ যুৱ চেহেৰা তথা সৰ্বভাৰতীয় পৰ্যায়ত খ্যাতি অৰ্জন কৰা গৌৰৱ গগৈক যোৰহাট সমষ্টিত প্ৰাৰ্থীত্ব প্ৰদান কৰিছে কংগ্ৰেছে। আজি ঘোষিত তালিকা অনুসৰি যোৰহাট সমষ্টিত তৃতীয়বাৰৰ বাবে নিজৰ ভাগ্য পৰীক্ষা কৰিব যোৰহাটত। সমষ্টি পুনৰ নিৰ্ধাৰণৰ পাছতে কলিয়াবৰ সমষ্টি সীমা সলনি হোৱাত গৌৰৱ গগৈক নগাঁও সমষ্টিত নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰাটো বিচাৰিছিল একাংশ দলীয় শেষাংশ ৩ পৃষ্ঠাত

## ছুপ্ৰিম নিৰ্দেশ! 'বণ্ড'-তথ্য অৰ্পণ কৰিলে ষ্টেট বেংকে

**নতুন দিল্লী, ১২ মাৰ্চঃ** উচ্চতম ন্যায়ালয়ৰ নিৰ্দেশ পালন কৰি অৱশেষত মঙলবাৰে সন্ধিয়াৰ পূৰ্বেই নিৰ্বাচনী বণ্ড সম্পৰ্কীয় সকলো তথ্য নিৰ্বাচন আয়োগৰ হাতত অৰ্পণ কৰিলে ষ্টেট বেংক অৱ ইণ্ডিয়াই। ইয়াৰ পিছতে উচ্চতম শেষাংশ ২ পৃষ্ঠাত



মহনাগৰীত মঙলবাৰে সন্ধিয়া আছুৰ জোঁৰ সমদল

## মিত্ৰতা ভংগ চকী এৰিলে খট্টৰে, ছাইনীক নতুন দায়িত্ব

**চণ্ডীগড়, ১২ মাৰ্চঃ** ২০২৪ৰ লোকসভা নিৰ্বাচনত পিছপৰা শ্ৰেণী আৰু পঞ্জাৱী ভোটবেংকক নিজৰ দখললৈ অনাৰ কৌশলেৰে হাৰিয়ানাত পট পৰিৱৰ্তন কৰিলে বিজেপিয়ে। আসনৰ ভাগ বতৰাক লৈ আজি হাৰিয়ানাত জে জে পিয়ে বিজেপি শেষাংশ ২ পৃষ্ঠাত

## আইনীভাৱে তৎপৰ আছু, স্থগিতাদেশ বিচাৰি উচ্চতম ন্যায়ালয়ত আবেদন

# সমদল, হৰতাল! 'কা'ক লৈ ৰাজ্য উত্তাল

**ই-সংবাদ, ১২ মাৰ্চঃ** মঙলবাৰে সন্ধিয়া উজনি-নামনিত গৰজি উঠিল আছু। আছুৰ আহ্বানত জাতি ৰক্ষাৰ হকে পুনৰ ৰাজপথলৈ ওলাই আহিল জনতা। বিজেপিয়ে জাতি ধ্বংসী 'কা'ৰ নিয়মাৱলী বলৱৎ কৰাৰ পাছতে বিদেশীক নাগৰিকত্ব দিয়া আইনক ৰুধিবলৈ আছুৰ নেতৃত্বত ওলাই আহিল হাজাৰ হাজাৰ লোক। কেন্দ্ৰীয় চৰকাৰে সোমবাৰে 'কা'ৰ বিধি প্ৰকাশ কৰাৰ পাছতে অসমত উত্তেজনাই বিৰাজ কৰিছে। বিভিন্ন এলেকাত তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰা দেখা গৈছে। তাৰ মাজতে আছুৱে উচ্চতম ন্যায়ালয়ত 'কা'ৰ বিধিৰ স্থগিতাদেশ শেষাংশ ৫ পৃষ্ঠাত

## প্ৰথমবাৰৰ বাবে 'কা'ৰ পঞ্চ শ্বহীদক শ্বহীদ আখ্যা মুখ্যমন্ত্ৰীৰ

**ই-সংবাদ, ১২ মাৰ্চঃ** 'কা' বলৱৎ হোৱাৰ পাছৰে পৰা বাৰে বাৰে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ মুখত শুনা গৈছে গেৰাণ্টী শব্দ। নৰেন্দ্ৰ মোদীৰ দৰে শেষাংশ ৩ পৃষ্ঠাত

• ইউনিক বৰা ফটোগ্ৰাফী ইনষ্টিটিউট •
• অসমীয়া মাধ্যমত শিকক ফটোগ্ৰাফী আৰু ইডিটিংৰ প্ৰতিটো কথা •
• গুৱাহাটীত অৱস্থিত উন্নত মানদণ্ডৰ ষ্টুডিঅ'ত শিক্ষা গ্ৰহণৰ সুবিধা •
• আসন সীমিত, শীঘ্ৰেই যোগাযোগ কৰক •
UniqueBorah.Com
88764 90887
নামভৰ্তিৰ বাবে ওপৰৰ নংত যোগাযোগ কৰক।

# চকী এৰিলে খট্টৰে, ছাইনীক

প্ৰথম পৃষ্ঠাৰ পৰা...

নেতৃত্বাধীন চৰকাৰৰ পৰা সমৰ্থন উঠাই লোৱাৰ পিছতে মুখ্যমন্ত্ৰী পদৰ পৰা পদত্যাগ কৰে মনোহল লাল খট্টৰে। ইয়াৰ পিছতে ৰাজ্যৰ নতুন মুখ্যমন্ত্ৰীৰূপে বিজেপি নেতৃত্বই দায়িত্ব প্ৰদান কৰে নায়ব সিং ছাইনীক। উল্লেখ্য যে, ছাইনীক মুখ্যমন্ত্ৰী পদত বহুৱাই বিজেপিয়ে ৰাজ্যখনৰ পাঞ্জাবী আৰু পিছপৰা ভোট বেংকৰ ওপৰত নিজৰ দখল অধিক শক্তিশালী কৰাৰ চেষ্টা চলোৱা বুলি চৰ্চা চলিছে। আনহাতে আগন্তুক উত্তৰ প্ৰদেশৰ বিধানসভা নিৰ্বাচনতো বিজেপিয়ে নিজৰ ভোটবেংক বৃদ্ধি কৰাৰ পৰিকল্পনা কৰিছে। মন কৰিবলগীয়া যে, উত্তৰ প্ৰদেশত পিছপৰা শ্ৰেণীৰ যথেষ্ট ভোট বেংক আছে। ৰাজ্যখনৰ পিছপৰা শ্ৰেণীৰ মাজত আস্থা বৃদ্ধি কৰিবলৈ চুবুৰীয়া ৰাজ্য হাৰিয়ানাত নায়ব সিং ছাইনীক মুখ্যমন্ত্ৰী পদত বহুওৱাটো বিজেপিৰ এটা ডাঙৰ বাজি বুলি বিবেচিত হৈছে। শেহতীয়াকৈ মধ্যপ্ৰদেশৰ মুখ্যমন্ত্ৰী ড০ মোহন যাদৱেও উত্তৰ প্ৰদেশৰ যাদৱ সম্প্ৰদায় আৰু পিছপৰা শ্ৰেণীৰ সৈতে সমন্বয় বৃদ্ধি কৰিবলৈ আৰম্ভ কৰিছে। উল্লেখ্য যে, নায়ব সিং ছাইনীক ৰাজ্যৰ প্ৰাক্তন মুখ্যমন্ত্ৰী মনোহৰ লাল খট্টৰৰ ঘনিষ্ঠ বুলি গণ্য কৰা হয়। ২০১৯ চনত কুৰুক্ষেত্ৰ লোকসভাৰ আসনৰ পৰা সংসদলৈ নিৰ্বাচিত হৈছিল ছাইনী। ২০২৩ চনত বিজেপিয়ে ছাইনীক ৰাজ্যিক বিজেপিৰ সভাপতি পদৰ দায়িত্ব দিছিল। অবিচি সম্প্ৰদায়ৰ বিজেপিৰ জ্যেষ্ঠ নেতা নায়ব সিং ছাইনীৰো ৰাজনীতি জীৱন আৰম্ভ হৈছিল সংঘৰ পৰাই। ১৯৯৬ চনত ছাইনীক ৰাজ্যত বিজেপি সংগঠনৰ দায়িত্ব দিয়া হয়। ইয়াৰ পিছত ২০০২ চনত তেওঁক বিজেৱাইএমৰ জিলা সাধাৰণ সম্পাদক হিচাপে নিযুক্তি দিয়া হয়। ২০১২ চনত ছাইনীক আম্বালা বিজেপিৰ সভাপতি নিযুক্তি দিয়া হয়। ২০১৪ চনত নাৰায়ণগড়ৰ পৰা নিৰ্বাচনত জয়লাভ কৰা ছাইনীয়ে ২০১৬ চনত খট্টৰ চৰকাৰতো ৰাজ্যিক মন্ত্ৰী হিচাপে কাৰ্যনিৰ্বাহ কৰিছিল।

# ‘বণ্ড’-তথ্য অৰ্পণ কৰিলে

প্ৰথম পৃষ্ঠাৰ পৰা...

ন্যায়ালয়ৰ আদেশ পালন কৰি অহা শুকুৰবাৰৰ ভিতৰত নিজৰ চৰকাৰী ৱেবচাইটযোগে বণ্ডৰ তথ্য প্ৰকাশ কৰিব লাগিব নিৰ্বাচন আয়োগে। উল্লেখ্য যে, যোৱা মাহত নিৰ্বাচন বণ্ডক অসংবিধানিক আখ্যা দি সৰ্বোচ্চ ন্যায়ালয়ে ২০১৯ চনৰ ১২ এপ্ৰিলৰ পৰা বৰ্তমানলৈকে নিৰ্বাচনী বণ্ডৰ সৈতে জড়িত সকলো তথ্য ৬ মাৰ্চৰ ভিতৰত নিৰ্বাচন আয়োগক অৰ্পণ কৰিবলৈ এছ বি আইক নিৰ্দেশ দিছিল। কিন্তু পৰৱৰ্তী সময়ত বেংকটোৱে এই তথ্য প্ৰকাশৰ বাবে উচ্চতম ন্যায়ালয়ক অতিৰিক্ত সময়ৰ বাবে অনুৰোধ জনায়। কিন্তু সোমবাৰে মুখ্য ন্যায়াধীশ ডি ৱাই চন্দ্ৰচুড়ৰ নেতৃত্বত সংমণ্ডল বিচাৰপীঠে এছ বি আইৰ আবেদন খাৰিজ কৰে। সোমবাৰে শুনানিৰ আৰম্ভণিতে এছ বি আইৰ সন্মুখত আছিল উচ্চতম ন্যায়ালয়ৰ প্ৰশ্ন। এই চৰকাৰী বেংকটোক উচ্চতম ন্যায়ালয়ৰ প্ৰশ্ন আছিল, "যোৱা ২৬ দিনে আপুনি কি কৰি আছিল?" আপোনাৰ আবেদনত ইয়াৰ কোনো উল্লেখ নাই।” প্ৰসংগক্ৰমে উচ্চতম ন্যায়ালয়ে ১৫ ফেব্ৰুৱাৰীত নিৰ্বাচনী বণ্ড ব্যৱস্থাক ‘অসাংবিধানিক’ আৰু ‘ক্ষতিকাৰক’ বুলি অভিহিত কৰিছিল। আদালতে এছ বি আইক এই বণ্ডসমূহ শীঘ্ৰে জাৰি কৰা বন্ধ কৰিবলৈ নিৰ্দেশ দিয়ে। ইয়াৰ উপৰিও উচ্চতম ন্যায়ালয়ে নিৰ্বাচনী বণ্ডৰ জৰিয়তে যিকোনো ৰাজনৈতিক দলে লাভ কৰা অনুদানৰ পৰিমাণ আৰু কোনে তেওঁলোকক চান্দা দিছিল সেই কথা ৰাজহুৱা কৰিবলৈ নিৰ্দেশ দিয়ে। উচ্চতম ন্যায়ালয়ে ৬ মাৰ্চত নিৰ্ধাৰিত সময়সীমাৰ পিছতো নিৰ্বাচনী বণ্ড সম্পৰ্কীয় তথ্য নিৰ্বাচন আয়োগক দাখিল নকৰাৰ বাবে এছ বি আইৰ বিৰুদ্ধেও উচ্চতম ন্যায়ালয়ত আদালত অৱমাননাৰ গোচৰ ৰুজু কৰা হয়। সোমবাৰে দুয়োটা গোচৰৰ শুনানি একেলগে মুখ্য ন্যায়াধীশৰ বিচাৰপীঠত অনুষ্ঠিত হয়। উচ্চতম ন্যায়ালয়ে কয় যে যদিহে মঙলবাৰৰ ভিতৰত এছ বি আইয়ে নিৰ্বাচনী বণ্ডৰ তথ্য প্ৰকাশ নকৰে তেন্তে আদালতৰ নিৰ্দেশক ‘ইচ্ছাকৃতভাৱে অবাধ্যতা’ৰ বাবে তেওঁলোকৰ বিৰুদ্ধে অৱমাননাৰ গোচৰ ৰুজু কৰা হ’ব। ইয়াৰ উপৰিও এছ বি আইৰ অধ্যক্ষ আৰু পৰিচালন সঞ্চালকক আদালতৰ নিৰ্দেশ মানি চলি শপতনামা দাখিল কৰিবলৈ নিৰ্দেশ দিয়া হয়। অৱশ্যে সংবাদ মাধ্যমৰ বাতৰি অনুসৰি আদালতৰ নিৰ্দেশ অনুসৰি এছ বি আইৰ অধ্যক্ষ আৰু পৰিচালন সঞ্চালকে এতিয়াও শপতনামা দাখিল কৰিব পৰা নাই।

# প্ৰদ্যুৎ বৰাক কংগ্ৰেছৰ বিশেষ দায়িত্ব

ই-সংবাদ, ১২ মাৰ্চঃ লোকসভা নিৰ্বাচনক লৈ বিশেষভাৱে তৎপৰ হৈ পৰিছে অসম প্ৰদেশ কংগ্ৰেছ। কংগ্ৰেছে লোকসভা নিৰ্বাচনত ভোটাৰৰ মাজত প্ৰভাৱ পেলাবলৈ কিছু পদক্ষেপ গ্ৰহণ কৰিছে। দললৈ নতুনকৈ অহা নেতাসকলক বিশেষ দায়িত্ব দিবলৈ আৰম্ভ কৰিছে। প্ৰাক্তন বিজেপি নেতা তথা বিজেপি দলৰ আইটি চেল গঠন কৰা হোতাগৰাকীক আজি



কংগ্ৰেছে বিশেষ দায়িত্ব প্ৰদান কৰিছে। অসমৰ একালৰ বিজেপি নেতা তথা বৰ্তমানৰ কংগ্ৰেছ নেতা প্ৰদ্যুৎ বৰাক আজি অসম প্ৰদেশ কংগ্ৰেছে বিশেষ দায়িত্ব প্ৰদান কৰিছে। অসম প্ৰদেশ কংগ্ৰেছৰ সভাপতিৰ ৰাজনৈতিক উপদেষ্টা হিচাপে নিযুক্তি দিয়া হৈছে প্ৰদ্যুৎ বৰাক। সভাপতি ভূপেন কুমাৰ বৰাই নিৰ্দেশনা প্ৰকাশ কৰি দায়িত্ব প্ৰদান কৰিছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# যোৰহাটত গৌৰৱ, গুৱাহাটীত

নেতাই৷ কিন্তু গৌৰৱ গগৈয়ে যোৰহাট সমষ্টিত প্ৰতিদ্বন্দ্বিতা কৰিবলৈ ঠিৰাং কৰিছিল৷ ইপিনে কংগ্ৰেছে বদৰুদ্দিন আজমলৰ বিৰুদ্ধে অৱতীৰ্ণ কৰিছে ৰকিবুল হুছেইনক৷ ধুবুৰীত নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰিব ৰকিবুল হুছেইনে৷ লখিমপুৰ সমষ্টিত এই পৰ্যন্ত প্ৰাৰ্থী ঘোষণা কৰা নাই কংগ্ৰেছে৷ ডিব্ৰুগড় সমষ্টি অসম জাতীয় পৰিষদৰ মুৰব্বী লুৰীণজ্যোতি গগৈৰ বাবে এৰিছে কংগ্ৰেছে৷ আজি বিৰোধীৰ বাবে এটা সমষ্টি এৰি কংগ্ৰেছে ১২টা সমষ্টিৰ প্ৰাৰ্থী তালিকা ঘোষণা কৰিছে৷ মুঠতে কংগ্ৰেছে বিজেপিক পৰাভূত কৰিবলৈ অসমতো মাৰ বান্ধি থিয় দিয়া দেখা গৈছে৷ আপ, তৃণমূল কংগ্ৰেছ, বামপন্থী দলসমূহৰ সৈতে মিত্ৰতা সম্ভৱ নহ'লেও অসমত এখন আসন মিত্ৰ দললৈ এৰি দি আজি কংগ্ৰেছে ঘোষণা ১২ খন লোকসভা আসনত প্ৰাৰ্থীৰ তালিকা প্ৰকাশ কৰে। তালিকা অনুসৰি গুৱাহাটী লোকসভা সমষ্টিৰ পৰা কংগ্ৰেছে থিয় কৰাইছে মীৰা বৰঠাকুৰ গোস্বামীক। নগাঁৱত কংগ্ৰেছে প্ৰাৰ্থিত্ব দিছে প্ৰদ্যুৎ বৰদলৈক, শিলচৰৰ পৰা টিকট দিছে সৌম্য কান্তি সৰকাৰক। কংগ্ৰেছে বৰপেটা সমষ্টিত দ্বীপ বায়নক, কৰিমগঞ্জত হাফিজ ৰছিদ আহমেদ চৌধুৰীক, ডিফুত জয়ৰাম ইংলেঙক, ধুবুৰীত ৰকিবুল হুছেইনক আৰু কোকৰাঝাৰত গৰ্গন মুছাহাৰীক প্ৰাৰ্থিত্ব প্ৰদান কৰিছে। সমাগত লোকসভা নিৰ্বাচনৰ বাবে কংগ্ৰেছে আজি দৰং-ওদালগুৰি সমষ্টিৰ বাবে মাধৱ ৰাজবংশীৰ নাম ঘোষণা কৰে। শোণিতপুৰত প্ৰেম লাল গঞ্জু আৰু নৱ গঠিত কাজিৰঙা লোকসভা সমষ্টিত ৰ'জলিনা তিৰ্কীক প্ৰাৰ্থী হিচাপে প্ৰক্ষেপ কৰিছে। আনফালে আজি অসমৰ লোকসভা আসনৰ বাবে প্ৰাৰ্থীৰ নাম ঘোষণা কৰি প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন বৰাই কয় যে বিৰোধী মিত্ৰজোঁটে এইবাৰ সৰ্বশক্তিৰে যুঁজ দি অসমত বিজেপিক পৰাভূত কৰিবলৈ সক্ষম হ'ব। তৃণমূল কংগ্ৰেছৰ সৈতে মিত্ৰতা সম্ভৱ নোহোৱা সন্দৰ্ভত ভূপেন বৰাই প্ৰতিক্ৰিয়া ব্যক্ত কৰি কয়, 'আমি অসমত চেষ্টা কৰিছিলো টিএমচি-কংগ্ৰেছৰ মিত্ৰতাৰ বাবে। ৰিপুণ বৰাৰ সৈতে মোৰ সৌহাৰ্দ্যপূৰ্ণ সম্পৰ্ক আছে। তেওঁ তেওঁৰ দলৰ নেতৃত্বক বুজাবলৈ চেষ্টা কৰিছিল, মই মোৰ দলৰ নেতৃত্বক বুজাবলৈ চেষ্টা কৰিছিলো। কিন্তু মমতা বেনাৰ্জী আৰু খাৰ্গে ডাঙৰীয়াৰ মত নিমিলিল, সেয়ে মিত্ৰতা সম্ভৱ হৈ নুঠিল।'' ইফালে, আজি ঘোষণা কৰা দ্বিতীয়খন প্ৰাৰ্থী তালিকাত অসমৰ লগতে গুজৰাট, মধ্য প্ৰদেশ, ৰাজস্থান, উত্তৰাখণ্ড, দমন আৰু দিউৰ প্ৰাৰ্থীৰো নাম আছে। আজি অসমৰ ১২ খন আসনসহ মুঠ ৪৩ টা সমষ্টিৰ প্ৰাৰ্থী তালিকা প্ৰকাশ কৰা হৈছে। কংগ্ৰেছে এতিয়ালৈকে ৮২টা সমষ্টিৰ প্ৰাৰ্থী ঘোষণা কৰিছে। উল্লেখ্য যে, বিজেপিত যোগদান কৰিব বুলি ব্যাপক চৰ্চা চলিছিল যদিও মধ্য প্ৰদেশৰ প্ৰাক্তন মুখ্যমন্ত্ৰী কমল নাথৰ পুত্ৰ নকুল নাথক চিণ্ডৱাৰা সমষ্টিত টিকট দিছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# প্ৰথমবাৰৰ বাবে 'কা'ৰ

হিমন্ত বিশ্ব শৰ্মাই কয় যে মই গেৰাণ্টী দিছো৷ মই জানো নতুন মানুহ অসমত নোসোমায়৷ মুখ্যমন্ত্ৰীয়ে হিমন্ত বিশ্ব শৰ্মাই কয়, 'অসমৰ ৰাইজক মই গেৰাণ্টী দি কৈছো যে যদি নতুন মানুহ সোমাই তেন্তে মই আগতে পদত্যাগ কৰিম৷' মুখ্যমন্ত্ৰীয়ে সংবাদমাধ্যমৰ মুখামুখি হৈ কয় যে 'কা'ক সমৰ্থন কৰা লোকো অসমত আছে৷ 'কা' বিৰোধ কৰা লোকো অসমত আছে৷ দুয়ো পক্ষৰ হাতত যুক্তি আছে৷ প্ৰথমে আইএমডিটি আইন আছিল৷ কিন্তু আদালতে সেই আইন বাতিল কৰিছিল৷ সংসদত 'কা' গৃহীত হৈছে৷ বিধি বলৱৎ হৈছে৷ মই যিসকলে বিৰোধ কৰিব খোজে তেওঁলোকক আদালতলৈ যাবলৈ কৈছো৷ অসম শান্তিপূৰ্ণ ৰাজ্য হৈ থাকক৷ যিসকলে এই আইনৰ পৰা সহায় পোৱা বুলি ভাবিছে সেইসকলে বিজেপিক বেছিকৈ ভোট দিব৷ আঢ়ৈ বছৰ আগত 'কা' গৃহীত হ'ল৷ বিধি বলৱৎ হ'ল৷ এতিয়া আৰু বিৰোধ কৰি লাভ নাই৷ কৰ্টত বিৰোধ কৰক৷ কিমান মানুহে আবেদন কৰিছে সেই কথা ৪৫ দিন পাছত গমেই পাম৷ মুখ্যমন্ত্ৰীয়ে অসমৰ আন্দোলনকাৰীক উভতি ধৰি আৰু কয়, 'আন্দোলনকাৰীসকলে ২০ লাখ আহিব, ২৫ লাখ আহিব বুলি কৈছে৷ কৈছে যে ট্ৰাকেৰে মানুহ আহিছেই৷ দুদিন পাছতহে সকলো গম পাব৷ পাঁচজন শ্বহীদেও ন্যায় পাব৷ যিসকলে আন্দোলন কৰিলে তেওঁলোকে ৰাইজক উত্তৰ দিব লাগিব৷ বেছি মানুহৰ নাম আহিলে আমি উত্তৰ দিব লাগিব৷ নতুন মানুহ এজন সোমালেও প্ৰথমে মই পদত্যাগ কৰিম৷ এনআৰচিত আবেদন কৰি নাম বাদ পৰা মানুহকেইজনক বাদ দি নতুন এজনো মানুহৰ নাম সোমাই তেন্তে প্ৰথম মই পদত্যাগ কৰিম৷ অসমত আন্দোলনৰ পৰিৱেশ হ'ব নালাগে৷ অসমৰ ৰাইজে আন্দোলন নিবিচাৰে। দুমাহ পাছত এই আন্দোলন কৰা মানুহবোৰেও অসমৰ ৰাইজক উত্তৰ দিব লাগিব।' উল্লেখ্য যে 'কা' আন্দোলনৰ ৫জন শ্বহীদক আজিলৈ অসম চৰকাৰে তথা বিজেপিৰ শীৰ্ষ নেতৃত্বই শ্বহীদ বুলি উল্লেখ কৰা নাছিল যদিও মঙলবাৰে প্ৰথমবাৰৰ বাবে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই 'কা' আন্দোলনৰ শ্বহীদ বুলি কোৱা দেখা যায়। ২০১৯ত হোৱা 'কা' আন্দোলনত প্ৰাণ হেৰুওৱা ৫ জন শ্বহীদক 'কা' আন্দোলনৰ শ্বহীদ আখ্যা দি অসমত নাগৰিকত্ব সংশোধনী আইনৰ বিৰুদ্ধে উমি উমি জ্বলি থকা ক্ষোভৰ জুইকুৰাক নিৰ্বাপিত কৰাৰ উদ্দেশ্যৰেই মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই এনে কৌশলৰ আশ্ৰয় লোৱা বুলিও চৰ্চা চলা দেখা গৈছে।

# সাংবাদিক নীলাভ হাজৰিকাৰ দেহাৱসান

**ই-সংবাদ, ১২ মাৰ্চ, নগাঁওঃ** আজি এগৰাকী উদিয়মান সাংবাদিকৰ মৃত্যুত ৰাজ্যত শোক ছাঁ পৰিছে। নগাঁৱৰ পুৰণিগুদামৰ সাংবাদিক নীলাভ হাজৰিকাই ৪১ বছৰ বয়সত আজি শেষ নিশ্বাস ত্যাগ কৰে। পুৰণিগুদামৰ মূঢ়ানিৰ উদীয়মান সাংবাদিক নীলাভ হাজৰিকাই গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ত চিকিৎসাধীন হৈ আছিল। জটিল ৰোগত আক্ৰান্ত হাজৰিকাই চিকিৎসাধীন অৱস্থাতে মৃত্যুক আকোৱালি লয়। নতুন দিন কাকতৰ জড়িয়তে সাংবাদিকতা আৰম্ভ কৰিছিল। দৈনিক জনমভূমি, প্ৰতিদিন টাইমৰ স্থানীয় সাংবাদিক হিচাপেও কাম কৰিছিল। অভিজ্ঞ সাংবাদিকে হিচাপে নাম থকা নীলাভ হাজৰিকাৰ মৃত্যুত গভীৰ শোকৰ ছাঁ পৰিছে।

## খৰতকীয়া শুনানিৰ বাবে অনুৰোধ জনাব ছাত্ৰ সংগঠনটোৰ অধিবক্তাই

# ‘কা’ৰ স্থগিতাদেশ বিচাৰি উচ্চতম ন্যায়ালয়ত আছুৰ আবেদন

**ই-সংবাদ, ১২ মাৰ্চঃ** কেন্দ্ৰীয় চৰকাৰে লোকসভা নিৰ্বাচনৰ পূৰ্বে হঠাতে নাগৰিকত্ব সংশোধনী আইনৰ নিয়মাৱলী বলৱৎ কৰাৰ পাছতে জাঙুৰ খাই উঠিছে সদৌ অসম ছাত্ৰ সন্থাই। সদৌ অসম ছাত্ৰ সন্থাই ৰাজ্যৰ বিভিন্ন জিলাত প্ৰতিবাদী কাৰ্যসূচী আৰম্ভ কৰিছে। সমানে দিল্লীৰ কেন্দ্ৰীয় প্ৰতিনিধিৰ এটা দল আজি দিল্লীলৈ উৰা মাৰিছে। ‘কা’ৰ বিধি বলৱৎ কৰাৰ পাছতে আছুৱে দিল্লীলৈ গৈ উচ্চতম ন্যায়ালয়ত এখন বিশেষ আৰ্জি দিয়াৰ সিদ্ধান্ত লৈছিল। আজি দিল্লীত উপস্থিত হৈ আছুৰ মুখ্য উপদেষ্টা ডঃ সমুজ্জ্বল কুমাৰ ভট্টাচাৰ্য, সভাপতি উৎপল শৰ্মা আৰু সাধাৰণ সম্পাদক শংকৰজ্যোতি বৰুৱাই উচ্চতম ন্যায়ালয়ৰ অধিবক্তাক সাক্ষাৎ কৰে। অধিবক্তাৰ জড়িয়তে উচ্চতম ন্যায়ালয়ত এখন আৰ্জি দিয়ে আছুৱে। আৰ্জিৰ জড়িয়তে কেন্দ্ৰীয় চৰকাৰে ঘোষণা কৰা ‘কা’ৰ বিধি স্থগিতাদেশৰ লগতে শীঘ্ৰে শুনানি অনুষ্ঠিত কৰাৰ আহ্বান জনায়। দিল্লীত আছুৰ সভাপতি উৎপল শৰ্মাই অসমত অবৈধ বিদেশীৰ বোজা জাপি দিবলৈ বিচৰা আইন আমি আদালতত প্ৰতিহত কৰিম বুলি ঘোষণা কৰে। সভাপতি উৎপল শৰ্মাই কয় “আছুৱে ৰাজপথৰ সংগ্ৰাম আৰু আদালতৰ সংগ্ৰাম সমানে কৰি যাব। আইন আদালতত গৃহীত হোৱাত ২০১৯ চনত আবেদন দাখিল কৰিছিলো। সদৌ অসম ছাত্ৰ সন্থাৰ আবেদনখনক মুখ্য আবেদন হিচাপে লোৱা হৈছিল। শুনানি চলি থকাৰ সময়তে কেন্দ্ৰীয় চৰকাৰে গাৰ বলেৰে নিয়মাৱলী বলৱৎ কৰিলে। এতিয়া অবৈধ বিদেশীয়ে আবেদন কৰিব পৰা হ’ল। আমি পুৰাই দিল্লীত উপস্থিত হৈ ন্যায়ালয়ত নিয়মাৱলীৰ বিৰুদ্ধে আবেদন কৰিছো। আমাৰ অধিবক্তাই নিয়মাৱলীৰ স্থগিতাদেশ বিচাৰি আদালতত আবেদন কৰিছে। আছুৱে স্পষ্ট কৰে যে নাগৰিকত্ব সংশোধনী আইন কোনো কাৰণত মানি লোৱা নহ’ব। খৰতকীয়া শুনানিৰ আহ্বান জনাব আছুৰ অধিবক্তাই।”




**‘কা’ বাতিলৰ দাবীত ডিব্ৰুগড় চহৰত অজাপৰ অসম অস্তিত্ব ৰক্ষা যাত্ৰা**

## লুৰীণজ্যোতি গগৈৰ নেতৃত্বত ডিব্ৰুগড় চহৰত বিশাল সমদল

**ই-সংবাদ, ১২ মাৰ্চঃ** লুৰীণজ্যোতি গগৈৰ নেতৃত্বত কঁপি উঠিল ডিব্ৰুগড় চহৰ। ‘কা’ৰ বলৱৎ কৰা কেন্দ্ৰীয় চৰকাৰৰ বিৰুদ্ধে অসম জাতীয় পৰিষদৰ উদ্যোগত কেইবা হাজাৰ লোকে ডিব্ৰুগড় চহৰত উত্তাল প্ৰতিবাদ সাব্যস্ত কৰে। মিত্ৰজোঁটৰ পৰা ডিব্ৰুগড় সমষ্টি লাভ কৰাৰ দিনটোতে ‘কা’ৰ বিৰুদ্ধে শক্তিশালী প্ৰতিবাদ সাব্যস্ত কৰি লুৰিণজ্যোতি গগৈয়ে শক্তি প্ৰদৰ্শন কৰিলে। অসম জাতীয় পৰিষদৰ বিভিন্ন আঞ্চলিক সমিতিৰ নেতা-কৰ্মী তথা ‘কা’ বিৰোধী ৰাইজৰ উপস্থিতিত বৃহৎ সমদল উলিয়াই লুৰীণজ্যোতি গগৈয়ে। ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ সমীপৰ বৰপথাৰ খেলপথাৰ পৰা উলিওৱা প্ৰতিবাদী সমদলক নেতৃত্ব দিয়ে অজাপৰ সভাপতি লুৰিণজ্যোতি গগৈয়ে। অসমীয়া জাতি ধ্বংসী আইন কোনো কাৰণতে মানি লোৱা নহ’ব বুলি হুংকাৰ প্ৰদান কৰি লুৰিণজ্যোতি গগৈয়ে মুখ্যমন্ত্ৰীক কঠোৰ ভাষাৰে সমালোচনা কৰাৰ লগতে সৰ্বানন্দ সোণোৱালক জাতি বিৰোধী আখ্যা দিয়ে।

# ১৬ বিৰোধী দলৰ নেতৃত্বলৈ অসম আৰক্ষীৰ আইনী জাননী

**ই-সংবাদ, ১২ মাৰ্চঃ** ‘কা’ বিৰোধী আন্দোলন দমন কৰিবলৈ কঠোৰ হৈছে অসম আৰক্ষী। ৰাজ্য চৰকাৰৰ নিৰ্দেশতে অসম আৰক্ষীয়ে যিকোনো পৰিস্থিতিত আনোদন দমন কৰিবলৈ ব্যৱস্থা গ্ৰহণ কৰিছে। ৰাজপথত আন্দোলন দমন কৰিবলৈ লাঠি, কন্দুৱা গেছ সাজু কৰাৰ লগতে আইনী ব্যৱস্থাও গ্ৰহণ কৰিছে। বিভিন্ন আইনৰ ধাৰা মতে, আন্দোলন প্ৰতিহত কৰিবলৈ ব্যৱস্থা কৰিছে আৰক্ষীয়ে। অসমৰ ১৬ বিৰোধী দলক গুৱাহাটী মহানগৰ আৰক্ষীয়ে আজি পুৱাই একোখনকৈ আইনী জাননী জাৰি কৰিছে। ‘কা’ৰ বিধি বলৱৎ কৰাৰ পাছতে অসমৰ ১৬ বিৰোধী দলে সৰ্বাত্মক হৰতাল ঘোষণা কৰিছিল। আজি ৰাজ্যৰ ঠায়ে ঠায়ে হৰতালৰ প্ৰভাৱ পৰে। এই হৰতালক বেআইনী বুলি ঘোষণা কৰি আৰক্ষীয়ে আইনী জাৰি কৰিছে। কংগ্ৰেছ, অসম জাতীয় পৰিষদ, আপ, শিৱসেনা উদ্ধৱ গোটৰ অসম শাখা, আৰজেডি অসম গোট, জন ইংতী কাথাৰৰ দল, চৰণ ডেকাৰ দল, সমাজবাদী পাৰ্টীৰ অসম শাখা, এনচিপি, অজিৎ ভূঞাৰ দল, চিপিআইএমএল, চিপিআইএম, অখিল গগৈ, তৃণমূল কংগ্ৰেছক আইনী জাননী জাৰি কৰে গুৱাহাটী আৰক্ষীয়ে। আইন-শৃংখলা পৰিস্থিতিৰ কথা উল্লেখ কৰি বিৰোধী দলসমূহক জাননী জাৰি কৰে আৰক্ষীয়ে। আৰক্ষীয়ে সাম্ভাব্য পৰিস্থিতিৰ বাবে উপযুক্ত পদক্ষেপৰ কথাও উল্লেখ কৰিছে। যদি কোনো সংগঠনে অসম বন্ধ বা ৰাজ্যব্যাপী পথ অৱৰোধ, ৰে’ল অৱৰোধৰ আহ্বান জনাই তেন্তে কঠোৰ ব্যৱস্থা গ্ৰহণৰ কথা উল্লেখ কৰিছে। গুৱাহাটীৰ আৰক্ষী আয়ুক্তৰ কাৰ্যালয় নতুবা ২৪ ঘণ্টাৰ ভিতৰত পাণবজাৰ আৰক্ষী থানাত উত্তৰ দিবলৈ কয়।

প্ৰথম পৃষ্ঠাৰ পৰা...

# সমদল, হৰতাল! ‘কা’ক

স্থগিতাদেশ বিচাৰি আবেদন দিয়াৰ লগতে আজি সন্ধিয়া আছু আৰু ৩০ সংগঠনে ৰাজ্যজুৰি জোঁৰ সমদল উলিয়াই। আছুৰ আহ্বানত সন্ধিয়া হাজাৰ হাজাৰ লোক ৰাজপথলৈ ওলাই আহে। কা’ আমি মানি নলও শ্ল’গান দি আছুৰ সমৰ্থক আৰু নেতা-কৰ্মীয়ে ৰাজপথ উত্তাল কৰি তোলে। আহ ঐ আহ ওলাই আহ ধ্বনি দি আছুৱে অসমৰ ৰাজপথ উত্তাল কৰি তোলে। গুৱাহাটীত আছুৰ মুখ্য উপদেষ্টা ড০ সমুজ্জ্বল কুমাৰ ভট্টাচাৰ্য্য, সভাপতি উৎপল শৰ্মা, সাধাৰণ সম্পাদক শংকৰজ্যোতি বৰুৱাৰ নেতৃত্বত কেইবা হাজাৰ লোকে সদমল উলিয়াই ‘কা’ বাতিল কৰাৰ দাবী জনায়। কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰ হুছিয়াৰ ধ্বনি দি আছুৰ নেতা-কৰ্মীয়ে আকাশ-বতাহ কঁপাই তোলে। আছুৰ মুখ্য উপদেষ্টা ড০ সমুজ্জ্বল কুমাৰ ভট্টাচাৰ্য্য, সভাপতি উৎপল শৰ্মাই কয় যে আছুৱে ৰাজপথৰ সংগ্ৰাম আৰু আদালতৰ সংগ্ৰাম কৰি যাম। কেন্দ্ৰীয় চৰকাৰৰ বাবে এতিয়া অবৈধ বিদেশীয়ে আবেদন কৰিব পৰা হ’ল। আমি পুৱাই দিল্লীত উপস্থিত হৈ ন্যায়ালয়ত নিয়মাৱলীৰ বিৰুদ্ধে আবেদন কৰিছো। আমাৰ অধিবক্তাই নিয়মাৱলীৰ স্থগিতাদেশ বিচাৰি আদালতত আবেদন কৰিছে। আমি কেন্দ্ৰীয় চৰকাৰক সকীয়াই দি কও যে ‘কা’ অসমৰ মানুহে মানি নলয়। বিদেশী সংস্থাপন কৰি জাতি ধ্বংস কৰিব দিয়া নহ’ব। গুৱাহাটীত সদৌ অসম ছাত্ৰ সন্থা আৰু ৩০ জাতি -জনগোষ্ঠীয় সংগঠনৰ আহ্বানত সদৌ কামৰূপ মহানগৰ জিলা ছাত্ৰ সন্থাই ৰূপায়ন কৰে জোঁৰ সমদল উলিয়াই।

**যোৰহাটঃ** ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ লগেত যোৰহাট জিলাৰ যোৰহাট সদৰ আৰু মাজুলীত আছুৱে প্ৰতিবাদ সাব্যস্ত কৰে। যোৰহাট জিলাত কেইবা শতাধিক লোকে হাতে হাত জোঁৰ লৈ সমদল উলিয়াই আকাশ-বতাহ কপাই তোলে। নাগৰিকত্ব সংশোধনী বিধেয়ক বাতিলৰ দাবীত নামনি মাজুলীত উত্তাল প্ৰতিবাদ সাব্যস্ত কৰে মাজুলী জিলা ছাত্ৰ সন্থাই। নামনি মাজুলী শাখা ছাত্ৰ সন্থাৰ সহযোগত সন্ধিয়া ৭ বজাত নামনি মাজুলীৰ বালিচাপৰি তিনিআলিত জিলা ছাত্ৰ সন্থাই জোঁৰ সমদল উলিয়াই। হাতে হাতে বিভিন্ন প্লেকাৰ্ড লৈ সমদল কৰাৰ লগতে আমি কা নামনো, অসম চৰকাৰ হায়ঃ হায়ঃ, কেন্দ্ৰীয় চৰকাৰ হায়ঃ হায়ঃ, কা’ বাতিল কৰক আদি শ্ল’গান দি উত্তাল কৰি তোলে পৰিৱেশ।

**মুছলপুৰঃ** বাক্সা জিলাৰ সদৰ মুছলপুৰতে আজি সদৌ অসম ছাত্ৰ সন্থা আৰু ৩০ জনগোষ্ঠীয় সংগঠনে উত্তাল প্ৰতিবাদ সাব্যস্ত কৰে। নাগৰিকত্ব আইন বাতিলৰ দাবীত জোঁৰ সমদল উলিয়াই আছুৱে। সদৌ বাকসা জিলা ছাত্ৰ সন্থা আৰু ৩০ জনগোষ্ঠীয় সংগঠনে মুছলপুৰত জোঁৰ সমদল উলিয়াই ‘কা’ আমি নামানো বুলি স্পষ্ট কৰে।

**মাজবাটঃ** নাগৰিকত্ব সংশোধনী আইন বলৱৎ কৰাৰ প্ৰতিবাদত আজি মাজবাটত সদৌ অসম ছাত্ৰ সন্থা আৰু অসম চাহ জনগোষ্ঠী ছাত্ৰ সন্থাই আইনখনৰ প্ৰতিলিপি দাহ কৰে।

**ধেমাজিঃ** সদৌ অসম ছাত্ৰ সন্থা আৰু ৩০ জনগোষ্ঠীয় সংগঠনৰ আহ্বানত সদৌ ধেমাজি জিলা ছাত্ৰ সন্থাই ধেমাজিত জোঁৰ সমদল কাৰ্যসূচী ৰূপায়ণ কৰে।

**চন্দ্ৰপুৰঃ** সদৌ অসম ছাত্ৰ সন্থা আৰু ৩০ জনগোষ্ঠীয় সংগঠনৰ আহ্বানত চন্দ্ৰপুৰত চন্দ্ৰপুৰ আঞ্চলিক ছাত্ৰ সন্থাই ‘কা’ৰ প্ৰতিলিপি আৰু নিয়মাৱলী দাহ কৰি প্ৰতিবাদ সাব্যস্ত কৰে। অসম আৰু উত্তৰ-পূৰ্বাঞ্চলৰ জনসাধাৰণৰ ওপৰত জোৰকৈ জাপি দিয়াটো নচলিব বুলি কয়। 'কা' প্ৰয়োগৰ নিয়মাবলী জাপি দিব বিচৰা অন্যায়ৰ বিৰুদ্ধে অহিংস, শান্তিপূৰ্ণ গণতান্ত্ৰিক আন্দোলন থাকিব বুলি ঘোষণা কৰে।

**বঙাইগাঁওঃ** আজি সন্ধিয়া সদৌ অসম ছাত্ৰ সন্থা আৰু ৩০ জনগোষ্ঠীয় সংগঠনে নাগৰিকত্ব সংশোধনী আইন বাতিল কৰাৰ দাবীত বঙাইগাঁৱত এক বৃহঁ জোঁৰ সমদল উলিয়াই।

**আমিনগাঁওঃ** সদৌ অসম ছাত্ৰ সন্থা আৰু ৩০ জনগোষ্ঠীয় সংগঠনৰ আহ্বানত সদৌ কামৰূপ জিলা ছাত্ৰ সন্থাই জিলা সদৰ আমিনগাঁৱত নাগৰিকত্ব সংশোধনী আইন বাতিলৰ দাবীত জোঁৰ সমদল কাৰ্যসূচী ৰূপায়ণ কৰে। মুখ্যমন্ত্ৰীৰ জালুকবাৰী সমষ্টিৰ আমিনগাঁৱত সদৌ কামৰূপ জিলা ছাত্ৰ সন্থাৰ জোঁৰ সমদল উলিয়াই।

**শোণিতপুৰঃ** সদৌ অসম ছাত্ৰ সন্থা আৰু ৩০ জনগোষ্ঠীয় সংগঠনৰ আহ্বানত নাগৰিকত্ব সংশোধনী আইন বাতিলৰ দাবীত সদৌ শোণিতপুৰ জিলা ছাত্ৰ সন্থাৰ জোঁৰ সমদল কাৰ্য্যসূচী ৰূপায়ন কৰে।

**ধেমাজিঃ** সদৌ অসম ছাত্ৰ সন্থা আৰু ৩০ জনগোষ্ঠীয় সংগঠনৰ আহ্বানত সদৌ ধেমাজি জিলা ছাত্ৰ সন্থাই জাতিধ্বংসী নাগৰিকত্ব সংশোধনী আইন প্ৰত্যাহাৰৰ দাবীত তীব্ৰ জোঁৰ সমদল উলিয়াই। আমাৰ স্পষ্ট কথা ‘কা’ বাতিল হ’বই লাগিব বুলি কয় সদৌ ধেমাজি জিলা ছাত্ৰ সন্থাই।

**ধুবুৰীঃ** সদৌ অসম ছাত্ৰ সন্থা আৰু ৩০ জনগোষ্ঠীয় সংগঠনৰ আহ্বানত নাগৰিকত্ব সংশোধনী আইন বাতিলৰ দাবীত সদৌ ধুবুৰী জিলা ছাত্ৰ সন্থাই ধুবুৰীত জোঁৰ সমদল কাৰ্য্যসূচী ৰূপায়ন কৰে।

## ৰাজ্যৰ ভিন্ন প্ৰান্তত বিৰোধীৰ হৰতালৰ প্ৰভাৱ
### ৰাজীৱ ভৱনত তলা

আজি পুৱা ৬ বজাৰ পৰা সন্ধিয়া ৬ বজালৈ ৰাজ্যৰ ভিন্ন প্ৰান্তত অসমৰ ১৬ টা বিৰোধী দলে আহ্বান জনোৱা সৰ্বাত্মক হৰতালৰ প্ৰভাৱ দেখা যায়। গুৱাহাটী মহানগৰীতো বিৰোধী দলসমূহে আহ্বান জনোৱা হৰতালৰ প্ৰতি লক্ষ্য ৰাখি নিৰাপত্তা ব্যৱস্থা কটকটীয়া কৰি তোলে অসম আৰক্ষীয়ে। ৰাজীৱ ভৱনত চলা প্ৰতিবাদী সভাৰ সময়ত আৰক্ষী প্ৰশাসনে বহু সময় ধৰি বাহিৰৰ পৰা তলা লগাই দিয়াত এক উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি হয়। বিৰোধী দলপতি দেৱব্ৰত শইকীয়াৰ উপস্থিতিত এই সভাত 'কা'ৰ প্ৰতিলিপি দাহ কৰে কংগ্ৰেছ নেতা-কৰ্মীসকলে। এক প্ৰেছ বিবৃতিযোগে বিৰোধী ঐক্য মঞ্চই 'কা’ বাতিল নোহোৱা পৰ্যন্ত এই সংগ্ৰাম অব্যাহত থাকিব বুলি উল্লেখ কৰি আজিৰ হৰতাল কাৰ্যসূচী সফল কৰা বাবে ৰাজ্যবাসীক ধন্যবাদ জ্ঞাপন কৰে। আজিৰ সৰ্বাত্মক হৰতালৰ ব্যাপক প্ৰভাৱ দেখা গৈছিল উজনিত। বিশেষকৈ শিৱসাগৰ জিলাত হৰতালৰ ফলত একপ্ৰকাৰ জনজীৱন স্তব্ধ হৈ পৰে। বিৰোধী ঐক্য মঞ্চৰ প্ৰধান মুখপাত্ৰ অখিল গগৈয়ে ‘কা’ৰ বিৰুদ্ধে শান্তিপূৰ্ণ গণতান্ত্ৰিক আন্দোলন সফল কৰা বাবে ৰাজ্যবাসীক ধন্যবাদ জ্ঞাপন কৰে।

# জনজাতিৰ প্ৰমাণপত্ৰ বিচাৰি থলগিৰিৰ ধৰ্ণা

ই-সংবাদ, ১২ মাৰ্চঃ আজি নামনি অসমৰ খিলঞ্জীয়া ভূমিপুত্ৰ শৰণীয়া-কছাৰী জনগোষ্ঠীৰ কেইবা শতাধিক পুৰুষ-মহিলাই বিটিআৰৰ তামুলপুৰত কেন্দ্ৰীয়-ৰাজ্য চৰকাৰৰ প্ৰৱঞ্চনাৰ বিৰুদ্ধে ধৰ্ণা প্ৰদান কৰে। চৰকাৰ বিৰোধী শ্ল'গান দি উত্তাল প্ৰতিবাদ সাব্যস্ত কৰে শৰণীয়া-কছাৰী জনগোষ্ঠীৰ পুৰুষ-মহিলাই। জনজাতীয় পৰম্পৰাগত পোছাক পিন্ধি কেইবা শতাধিক পুৰুষ-মহিলাই ধৰ্ণা প্ৰদান কৰি জানজাতীয় প্ৰমাণ পত্ৰ প্ৰদানৰ দাবী জনায়। সদৌ অসম শৰণীয়া-কছাৰী ছাত্ৰ সন্থা, শৰণীয়া কছাৰী গণতান্ত্ৰিক নাৰী মঞ্চ আৰু শৰণীয়া কছাৰী সন্মিলনীৰ যৌথ উদ্যোগত কেইবা শতাধিক পুৰুষ-মহিলাই শীঘ্ৰে জনজাতীয় প্ৰমাণ পত্ৰ প্ৰদানৰ দাবী জনায়। শৰণীয়া-কছাৰী বিৰোধী হুছিয়াৰ, ভিক্ষা নহয় অধিকাৰ লাগে শ্ল'গান দি শৰণীয়া-কছাৰী জনগোষ্ঠীৰ লোকে উত্তাল প্ৰতিবাদ সাব্যস্ত কৰে। হাজাৰ হাজাৰ প্ৰতিবাদকাৰীয়ে শৰণীয়া কছাৰী স্বায়ত্ব শাসিত পৰিষদ গঠনৰো দাবী উত্থাপন কৰে। স্বায়ত্ব শাসিত পৰিষদ প্ৰদান কৰক, শৰণীয়া কছাৰীৰ বন্ধ হৈ থকা জনজাতি প্ৰমাণপত্ৰ দিয়াৰ ব্যৱস্থা কৰক, শৰণীয়া-কছাৰী বিৰোধী চক্ৰ নিপাত যাওঁক, ভিক্ষা নহয়-অধিকাৰ লাগে আদি ধ্বনিৰে তামুলপুৰৰ আকাশ-বতাহ কঁপাই তোলে প্ৰতিবাদকাৰীয়ে। এই প্ৰতিবাদী কাৰ্যসূচীত সদৌ অসম শৰণীয়া কছাৰী ছাত্ৰ সন্থাৰ সভাপতি প্ৰবীণ ডেকা, সাধাৰণ সম্পাদক দ্বীপজ্যোতি শৰণীয়া, শৰণীয়া কছাৰী গণতান্ত্ৰিক নাৰী মঞ্চৰ সভানেত্ৰী প্ৰমিলা দাস উপস্থিত থাকে নেতা-নেত্ৰীসকলে শীঘ্ৰে জনজাতীয় প্ৰমাণ পত্ৰ প্ৰদানৰ ব্যৱস্থা নকৰিলে আন্দোলনে জংগী ৰূপ ধাৰণ কৰিব বুলি সকীয়াই দিয়ে। উল্লেখ্য যে, বিভিন্ন সময়ত এই সমস্যা সমাধান কৰিবলৈ ৰাজ্য চৰকাৰৰ প্ৰতিনিধিক সাক্ষাৎ কৰি দাবী উত্থাপন কৰি আহিছে যদিও কোনো ফল নোলাল। মুখ্যমন্ত্ৰী, জনজাতি দপ্তৰৰ মন্ত্ৰীক বাৰে বাৰে সাক্ষাৎ কৰি আৰ্জি দিয়াৰ পাছতো জনজাতীয় প্ৰমাণ পত্ৰ দিয়াৰ ব্যৱস্থা নকৰাত ক্ষোভিত শৰণীয়া-কছাৰী জনগোষ্ঠীৰ পুৰুষ-মহিলা। সাধাৰণ সম্পাদক দীপজ্যোতি শৰণীয়াই জনজাতীয় প্ৰমাণ পত্ৰৰ পৰা বঞ্চিত হৈ অহাত আক্ষেপ প্ৰকাশ কৰি বিভিন্ন সময়ত সমাধান কৰিবলৈ চৰকাৰক হেঁচা প্ৰদান কৰি আহিছো, যদিও চৰকাৰে গুৰুত্ব প্ৰদান কৰা নাই বুলি কয়। শৰণীয়া কছাৰী জনগোষ্ঠী অসমৰ অন্যতম কছাৰী হোৱাৰ পাছতো সময়ে সময়ে জনজাতীয় প্ৰমাণ পত্ৰ পোৱাৰ ক্ষেত্ৰত বিভিন্ন সমস্যাৰ সন্মুখীন হৈ আহিবলগীয়া হৈছে শৰণীয়া-কছাৰীসকলৰ জনজাতীয় প্ৰমাণ পত্ৰৰ সমস্যা সমাধান নহ'লে জংগী আন্দোলন ঘোষণা কৰাৰ হুংকাৰ প্ৰদান কৰিছে সদৌ অসম শৰণীয়া-কছাৰী ছাত্ৰ সন্থাই।

# ত্যাগ নথকা মানুহে শ্বহীদৰ ভাষা বুজি নাপায়

## শিৱসাগৰত শৃংখলৰ হুংকাৰ

ই-সংবাদ, ১২ মাৰ্চঃ বীৰ লাচিত সেনাৰ নেতা শৃংখল চলিহাই আজি এখন সংবাদমেল সম্বোধন কৰি বিজেপি দলক তীব্ৰ আক্ৰমণ কৰে। ৰাজপথত সংবাদমেল সম্বোধন কৰি 'কা' বাতিল কৰিবলৈ সকলোকে একত্ৰিত হৈ 'কা'ৰ বিৰোধ কৰিবলৈ আহ্বান জনাই শৃংখল চলিহাই। শৃংখল চলিহাই কয় 'ত্যাগ নথকা মানুহে শ্বহীদৰ ভাষা বুজি নাপায়। আমি শ্বহীদৰ ভাষা বুজি পাও। সংগ্ৰাম চলিব। শেষ পৰ্যায়লৈ সংগ্ৰাম চলিব। মই আহ্বান জনাইছো, যদি দেশ প্ৰেম আছে সকলো সংগঠনে একলগে বহক। সকলোৱে বহি, সকলোৱে মিলি অসম বন্ধ দিয়ক। যদি অসম প্ৰেম আছে অসম অচল কৰি দিয়ক। এই আইনৰ বিৰুদ্ধে গণ আন্দোলনৰ ঘোষণা কৰি কয় "আমি বিজেপি চৰকাৰৰ বিৰুদ্ধে যুঁজ দিম। কোনেও আমাক ভাবুকি দিব নোৱাৰিব। মই সকলো আঞ্চলিক ৰাজনৈতিক দলক একত্ৰিত প্ৰতিবাদ ঘোষণা কৰিবলৈ আহ্বান জনাইছো। প্ৰতিবাদ অব্যাহত থাকক। প্ৰতিবাদ ৰাস্তাত হওক, খেলপথাৰত নহয়। প্ৰয়োজনত অখিল গগৈ আৰু গৌৰৱ গগৈক বিধায়ক আৰু সাংসদ পদ এৰিবলৈ আহ্বান জনাই চলিহাই।





মুখ্যমন্ত্ৰীৰ হিমন্ত বিশ্ব শৰ্মাৰ জালুকবাৰী সমষ্টিৰ আমিনগাঁৱত সদৌ কামৰূপ জিলা ছাত্ৰ সন্থাৰ জোঁৰ সমদল

# মৰিগাঁৱৰ নামগাঁৱত ভয়ংকৰ পথ দুৰ্ঘটনা, নিহত ১

ই-সংবাদ, মৰিগাঁও, ১২ মাৰ্চঃ মৰিগাঁও জিলাৰ নামগাঁৱত ফৰলেন যুক্ত ৰাষ্ট্ৰীয় ঘাইপথত আজি পুৱতি নিশা সংঘটিত ভয়ঙ্কৰ পথ দুৰ্ঘটনাত এজন লোক নিহত হৈছে। এগৰাকী মহিলাৰ থিতাতে মৃত্যু হয়। ৰাষ্ট্ৰীয় ঘাইপথত গুৱাহাটী অভিমুখী চুপাৰ বাছৰ পাছফালে মৰিগাঁও অভিমুখী এএছ-২১-চি-৫০৩১ নম্বৰৰ টেম্পোৱে প্ৰচণ্ড জোৰত খুন্দা মৰাৰ ফলত ৰুবিয়া খাতুন নামৰ মহিলা নিহত হয়।কেইবাগৰাকী যাত্ৰী গুৰুতৰভাৱে আহত হয়। আহতসকলৰ ভিতৰত ৫ গৰাকী যাত্ৰীক উন্নত চিকিৎসাৰ বাবে গুৱাহাটী মেডিকেল কলেজলৈ প্ৰেৰণ কৰাৰ লগতে দুগৰাকী আঘাত প্ৰাপ্ত বৰ্তমান মৰিগাঁও অসামৰিক চিকিৎসালয়ত চিকিৎসাধীন হৈ আছে। জানিব পৰা মতে, টেম্পোখনৰ চালকজনে নগাঁৱৰ কামপুৰ থানাৰ অন্তৰ্গত ধৰমুখৰ পৰা প্ৰায় ১০ গৰাকী যাত্ৰী মৰিগাঁও অভিমুখে কঢ়িয়াই আনি থকাৰ সময়ত ৰহা থানাৰ অন্তৰ্গত নামগাঁৱত সংঘটিত হয় পথ দুৰ্ঘটনা। নিহত মহিলাগৰাকীৰ মৃতদেহ মৰণোত্তৰ পৰীক্ষাৰ বাবে মৰিগাঁও অসামৰিক চিকিৎসালয়ৰ মৰ্গত ৰাখি থৈছে বুলি জানিব পৰা গৈছে। উক্ত ঘটনাক লৈ অঞ্চলটোত শোকাকুল পৰিৱেশে বিৰাজ কৰিছে।

## সাহিত্যিক অৰুণ গোস্বামী আৰু নাই



**ই-সংবাদ, ১২ মাৰ্চঃ** বিশিষ্ট সাহিত্যিক অৰুণ গোস্বামী আৰু নাই। মঙলবাৰে নিশা প্ৰায় ৯ বাজি ৪৫ মিনিটত যোৰহাটৰ মিছন হাস্পতালত শেষ নিশ্বাস ত্যাগ কৰে সাহিত্যিক গোস্বামীয়ে। উল্লেখ্য যে, বিগত কেইবাদিনো ধৰি চিকিৎসাধীন হৈ আছিল গোস্বামী। মৃত্যুৰ সময়ত অৰুণ গোস্বামীৰ বয়স আছিল ৮০ বছৰ। দেৰগাঁৱত জন্মগ্ৰহণ কৰা সাহিত্যিক অৰুণ গোস্বামীৰ মৃত্যুত সাহিত্যপ্ৰেমীসকলৰ মাজত শোকৰ ছাঁ পৰিছে। 'পটভূমি' উপন্যাসখনৰ বাবে খ্যাতি লাভ কৰা গোস্বামীৰ আন উল্লেখযোগ্য গ্ৰন্থসমূহৰ ভিতৰত আছে কালক্ষণ, চলন্ত বিৰৰণী। স্তম্ভ লেখক, ৰাজনৈতিক বিশ্লেষক হিচাপেও সুনাম থকা গোস্বামীয়ে মৰণোত্তৰ দেহ দান কৰি থৈ গৈছে।

# 'বিজেপিয়ে উত্তৰ-পূৰ্বৰ ৰাজ্যসমূহক বিশ্বাসঘাতকতা কৰিছে'

**নতুন দিল্লী, ১২ মাৰ্চঃ** 'কা' বলৱৎ কৰাৰ পাছতে সোমবাৰে দিল্লীৰ মুখ্যমন্ত্ৰী তথা আপৰ মুখ্য সমন্বয়ক অৰবিন্দ কেজৰিৱালে তীব্ৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰে৷ দেশৰ নিবনুৱাক সংস্থাপন দিব নোৱাৰে বুলি কৈ নৰেন্দ্ৰ মোদী চৰকাৰক কেইবাটাও প্ৰশ্ন কৰিছে কেজৰিৱালে৷ উত্তৰ পূবৰ ৰাজ্যসমূহক বিশ্বাসঘাতকতা কৰাৰো অভিযোগ উত্থাপন কৰিছে৷ সামাজিক মাধ্যমযোগে নৰেন্দ্ৰ মোদী চৰকাৰক তীব্ৰ আক্ৰমণ কৰি কেজৰিৱালে দহ বছৰ দেশ শাসন কৰা মোদী চৰকাৰে নিৰ্বাচনৰ পূৰ্বে চি.এ.এ আনিছে। দৰিদ্ৰ আৰু মধ্যবিত্ত শ্ৰেণীয়ে মুদ্ৰাস্ফীতিৰ বাবে হাহাকাৰ কৰিছে৷ নিবনুৱাই নানা সমস্যাৰ বাবে যুঁজ দিছে৷ নিযুক্তিৰ নাই বাবে হাহাকাৰ কৰিছে৷ কিন্তু বিজেপিয়ে কা' আনিছে৷ চুবুৰীয়া দেশৰ সংখ্যালঘুসকলক ভাৰতত নাগৰিকত্ব দিব। চুবুৰীয়া দেশৰ লোকসকলক ভাৰতলৈ আনিব বিচাৰে। কিয়? ভোট বেংক নিৰ্মাণ কৰিবলৈ। আমাৰ যুৱক-যুৱতীসকলৰ চাকৰি নাই, চুবুৰীয়া দেশৰ পৰা অহা লোকসকলক কোনে চাকৰি দিব? ঘৰ নিৰ্মাণ কৰি দিব কোনে? সেইসকলক বিজেপিয়ে চাকৰি দিব নেকি? বিজেপিয়ে ঘৰ নিৰ্মাণ কৰি দিব নেকি? যোৱা দহ বছৰত ১১ লাখতকৈও অধিক ব্যৱসায়ী আৰু উদ্যোগপতিয়ে দেশ ত্যাগ কৰিছে। তেওঁলোকক ঘূৰাই অনাৰ পৰিৱৰ্তে, চুবুৰীয়া দেশৰ দৰিদ্ৰ লোকসকলক ভাৰতত বসতি স্থাপন কৰাব বিচাৰে। কিয়? ভোট বেংকৰ বাবে? দেশে চিএএৰ বিৰোধিতা কৰে। প্ৰথমে আমাৰ ল'ৰা-ছোৱালীক চাকৰি দিয়ক, ঘৰ দিয়ক। তাৰ পিছত আন বিদেশৰ লোকক দেশলৈ আনক। পৃথিৱীৰ প্ৰতিখন দেশে আন দেশৰ দৰিদ্ৰক নিজ দেশলৈ অহাত বাধা দিয়ে৷ কিয়নো স্থানীয় লোকসকলৰ নিযুক্তি হ্ৰাস কৰিব। বিজেপি সম্ভৱতঃ পৃথিৱীৰ একমাত্ৰ দল যিয়ে চুবুৰীয়া দেশৰ দৰিদ্ৰ লোকক ভোট বেংক তৈয়াৰ কৰিবলৈ লেতেৰা ৰাজনীতি কৰিছে। এয়া দেশ বিৰোধী। বিশেষকৈ চিএএৰ অসম আৰু সমগ্ৰ উত্তৰ-পূবৰ লোকসকলে তীব্ৰ বিৰোধিতা কৰি আহিছে৷ উত্তৰ-পূবৰ ৰাজ্যত বাংলাদেশৰ পৰা হোৱা প্ৰব্ৰজনে ভাষা আৰু সংস্কৃতিলৈ বিপদত আনিছে। বিজেপিয়ে অসম আৰু উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যসমূহৰ লোকসকলক বিশ্বাসঘাতকতা কৰিছে। লোকসভা নিৰ্বাচনত মানুহে ইয়াৰ উত্তৰ দিব বুলি কয়



**ধেমাজিত আছুৰ আহ্বানত ৰাজপথলৈ ওলাই অহা লোকে দিলে সিংহ গৰ্জন**

## জেব্ৰাৰাম মুছাহাৰীসহ ২০০ গৰাকী লোকৰ বিজেপিত যোগদান

# বিজেপিৰ জনজাতি মৰ্চাৰ বিশাল জনজাতি সন্মিলন

**ই-সংবাদ, কোকৰাঝাৰ ১২ মাৰ্চঃ** বিজেপিৰ জনজাতি মৰ্চাৰ উদ্যোগত আজি কোকৰাঝাৰত বিশাল জনজাতি সন্মিলন অনুষ্ঠিত হয়। বিটিআৰৰ পাঁচখন জিলাৰ সহস্ৰাধিক জনজাতি লোকে অংশগ্ৰহণ কৰা এই বিশাল সন্মিলনত "বৰ্তমানৰ ৰাজনৈতিক পৰিস্থিতিৰ ওপৰত বিজেপি কাৰ্যকৰ্তাৰ ভূমিকা" শীৰ্ষক এক আলোচনা চক্ৰও অনুষ্ঠিত হয়। আলোচনা চক্ৰত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰি অসম বিধানসভাৰ অধ্যক্ষ বিশ্বজিৎ দৈমাৰীয়ে ভাষণ প্ৰসংগত বিটিআৰত উন্নয়নৰ দিশত চৰকাৰ আৰু জনতা দায়বদ্ধতাৰে কাম কৰি যাব লাগিব আৰু তেতিয়াহে বিটিআৰ অঞ্চল উন্নয়নৰ দিশত আগবাঢ়ি যাব বুলি মন্তব্য কৰে। ইপিনে কা' আইন সন্দৰ্ভতো অধ্যক্ষ বিশ্বজিত দৈমাৰীয়ে কয় যে কা' আইন প্ৰণয়ন হ'ল যেতিয়া চৰ্চা চলিবই। কিবা ভুল থাকিলে দেখুৱাই দিয়ক। সংসদৰ মজিয়াত সংশোধনব। কৰিব পাৰিব। দেশৰ আইন মানি চলিব লাগি যদিহে ভবা হয় সুৰক্ষাৰ প্ৰতি ভাবুকি আহিছে তেতিয়াহলে বিধানসভাৰ মজিয়াত অসমীয়াৰ ৰক্ষণাবেক্ষণৰ বাবে আইন প্ৰণয়ন কৰিবপৰা সাংবিধানিক ক্ষমতা আছে। এইক্ষেত্ৰত দল সংগঠনক উদ্দেশ্যি বিশ্বজিত দৈমাৰীয়ে কা' আইনখন ভালদৰে পঢ়াৰ আহ্বান জনাই কয় যে আইনখনত কিবা সংযোজন কৰিব লগা থাকিলে নিশ্চয় সংশোধন কৰিব পৰা যাব বুলি মন্তব্য কৰে। যিহেতু মইও অৱশ্যে কা আইনখন বিস্তৃতৰূপত পঢ়া নাই বুলি মন্তব্য কৰে বিশ্বজিত দৈমাৰীয়ে। ইপিনে জনজাতি সন্মিলনত বিজেপিৰ জনজাতি মৰ্চাৰ ৰাজ্যিক সভাপতি শিৱনাথ ব্ৰহ্মই নিজৰ ভাষণত আগন্তুক লোকসভা নিৰ্বাচনতকোকৰাঝাৰ লোকসভা সমষ্টিত এনডিএ'ৰ প্ৰাৰ্থীক বিপুল ভোটত জয়যুক্ত কৰাৰ আহ্বান জনাইছে। তেওঁ কয় যি যিহেতু কোকৰাঝাৰ লোকসভা সমষ্টিত মিত্ৰজোঁটৰ প্ৰাৰ্থী অৱতীৰ্ণ হ'ব তেনেক্ষেত্ৰত এনডিএ সমৰ্থিত প্ৰাৰ্থী গৰাকীক জয়যুক্ত কৰি তৃতীয়বাৰৰ বাবে নৰেন্দ্ৰ মোডীক দেশৰ প্ৰধানমন্ত্ৰী বনোৱাত সহযোগ কৰাৰ আহ্বান জনায়। উল্লেখ্য যে, কোকৰাঝাৰত আজি বিজেপিৰ জনজাতি মৰ্চাৰ উদ্যোগত আয়োজিত বিশাল জনজাতি সন্মিলনত পিপুলচ জইন্ট একচ্যন কমিটি ফৰ বড়োলেণ্ড মুভমেন্টৰ মুখ্য আহ্বায়ক জেব্ৰাৰাম মুছাহাৰী সহ ২০০ গৰাকী লোকে আনুষ্ঠানিকভাৱে বিজেপি দলত যোগদান কৰে। আজিৰ বিশাল জনজাতি সন্মিলনত বিজেপিৰ ৰাজ্যিক উপ সভাপতি অশোক ভট্ট ৰায়, সাংগঠনিক সাধাৰণ সম্পাদক ৰবিন্দ্ৰ ৰাজু, বিজেপিৰ জনজাতি মৰ্চাৰ সভাপতি শিৱনাথ ব্ৰহ্ম, বিজেপিৰ জিলা সভানেত্ৰী কবিতা বসুমতাৰী, বিটিআৰৰ কাৰ্যবাহী সদস্যকে ধৰি কেইবাগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত আছিল।

## ১৫০ পাৱাৰটিলাৰ প্ৰদান ৰামেশ্বৰ তেলীৰ

**ই-সংবাদ, দুলীয়াজান, ১২ মাৰ্চঃ** অইল ইণ্ডিয়াই প্ৰতিষ্ঠানটোৰ নিগমিত সামাজিক দায়বদ্ধতা আঁচনিৰ অধীনৰ প্ৰকল্প অইল ৰূপান্তৰৰ জৰিয়তে আজি সামগ্ৰী আৰু বিত্তীয় সাহায্য বিতৰণৰ এক কাৰ্যসূচী অনুষ্ঠিত কৰে। দুলীয়াজানৰ টিপলিঙত অৱস্থিত অইল ইণ্ডিয়াৰ চি এছ আৰ একটিভিটি কমপ্লেক্সত আয়োজিত হিতাধিকাৰী আৰু যুটীয়া দায়বদ্ধ গোটসমূহলৈ সহযোগিতা আগবঢ়োৱা এই অনুষ্ঠানটোত কেন্দ্ৰীয় পেট্ৰ'লিয়াম আৰু প্ৰাকৃতিক গেছ মন্ত্ৰালয় তথা শ্ৰম আৰু নিয়োগ মন্ত্ৰালয়ৰ ৰাজ্যিক মন্ত্ৰী ৰামেশ্বৰ তেলীৰ লগতে তেৰছ গোৱালা, অইলৰ আৱাসিক মুখ্য বিষয়া আনফৰ আলী হক , অইলৰ কাৰ্যবাহীসঞ্চালক (চি এণ্ড পি) উপেন্দ্ৰ নাথ জেনা, অ' আই আৰ ডি এছৰ সভাপতি তথা অইলৰ কাৰ্যবাহী সঞ্চালক (অভিযান্ত্ৰিক সেৱা) ভৈৰৱ ভূঞা, অইলৰ অন্যান্য বিষয়া-কৰ্মচাৰী আৰু প্ৰকল্পৰ হিতাধিকাৰীসকল উপস্থিত থাকে। অনুষ্ঠানত ৩২৫ টা যুটীয়া দায়বদ্ধ গোটৰ লগতে এই গোটসমূহে সামৰি লোৱা ১,৫৫০ টা পৰিয়াললৈ সহযোগিতা আগবঢ়ায়। হিতাধিকাৰীসকলক তেওঁলোকৰ ঔদ্যোগীকৰণৰ প্ৰচেষ্টা আৰম্ভ কৰাত সহযোগিতা আগবঢ়োৱাৰ অংশস্বৰূপে আজি ১৫০ খন পাৱাৰটিলাৰ, ১৫০ টা ৱাটাৰ পাম্প,১৫০ টা স্প্ৰেয়াৰ মেচিন, ৭৫০ খন ফ্লাই শ্বাটল হেণ্ডলুম চেট বিতৰণ কৰাৰ লগতে ৰিভলভিং ফাণ্ড হিচাপে ১৫ লাখ টকা, ৫,২৫০ কে জি সূতা আৰু অন্যান্য সামগ্ৰী, ১৫ খন এগ্ৰ' প্ৰডাক্ট কেৰিয়াৰ আৰু বায়'ফ্লক একুৱাকালচাৰৰ বাবে ২০ টা টেংক বিতৰণ কৰা হয়। উল্লেখযোগ্য যে ৰূপান্তৰ নামেৰে নামাংকৃত অইলৰ এই চি এছ আৰ প্ৰকল্পটোৱে উজনি অসমৰ অইল অধ্যুষিত জিলাসমূহৰ স্থানীয় লোকসকলৰ বাবে সামাজিক আৰু অৰ্থনৈতিক পৰিৱৰ্তন সাধনৰ প্ৰচেষ্টা হাতত লৈ আহিছে । ২০০৮ চনৰ পৰা ২০২৩-২৪ বিত্তীয় বৰ্ষলৈকে এই প্ৰকল্পৰ অধীনত অইলে ২৮,৭৮৫টা পৰিয়ালক সামৰি লোৱা ৪,৬৭৬ টা আত্মসহায়ক গোট বা যুটীয়া দায়বদ্ধ গোটক ছাবচিডি প্ৰদান কৰাৰ লগতে অন্যান্য আৰ্থিক সহায় আৰু প্ৰয়োজনীয় সামগ্ৰী প্ৰদান কৰি আহিছে।

## নাগৰিকত্ব সংশোধনী আইনৰ বিৰুদ্ধে আছুৰ তীব্ৰ প্ৰতিবাদ

# ওদালগুৰিত আৰক্ষীৰ বেহু ফালি ছাত্ৰ সন্থাৰ জোঁৰ সমদল



**ওদালগুৰি, ১২ মাৰ্চঃ** কটকটীয়া আৰক্ষী বেহু ফালি ওদালগুৰিত জিলা ছাত্ৰ সন্থাই কা' বিৰোধী জোৰ সমদল সফল কৰিবলৈ সক্ষম হয়। আছুসহ ৩০ টাকৈ জনগোষ্ঠীয় সংগঠনৰ আহ্বানমৰ্মে আজি ওদালগুৰিতো বাহিৰ কৰা হয় কা' বিৰোধী জোৰ সমদল। এই প্ৰতিবাদৰ আগতীয়া উমান পাই ওদালগুৰি জিলাৰ অতিৰিক্ত আৰক্ষী অধীক্ষক, সদৰ আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়াৰ নেতৃত্বত এটি বিশাল আৰক্ষী-অৰ্ধ সামৰিক বাহিনীৰ দলে ছাত্ৰ সন্থাৰ কেউফালৰ পথ ঘেৰাও কৰি ৰাজপথলৈ নমাত বাধা দি একপ্ৰকাৰ কাৰ্যালয়ৰ চৌহদতে আছুকৰ্মীসকলক আৱদ্ধ কৰি ৰখাৰ পৰিকল্পনা কৰে। কিন্তু জিলা ছাত্ৰ সন্থাৰ কৰ্মীসকলে কৌশলপূৰ্ণ ভাৱে দুটা ভাগত বিভক্ত হৈ আৰক্ষী বেহু ফালি আন পথেৰে গৈ ৰাজপথত নামি প্ৰতিবাদ সাব্যস্ত কৰিবলৈ সক্ষম হয়। ইয়াৰ পাছত প্ৰতিবাদকাৰী সকলে হাতে হাতে জোঁৰ লৈ "কা আমি নামানো, অসম চৰকাৰ হুচিয়াৰ কেন্দ্ৰীয় চৰকাৰ হুচিয়াৰ, হিমন্ত বিশ্ব হুৰিয়খৰ, অমিত শ্বাহ হুচিয়াৰ" ইত্যাদি শ্লোগানেৰে পৰিৱেশ উত্তাল কৰি তোলে। উপস্থিত প্ৰতিবাদকাৰীসকলে চৰকাৰৰ ফেচিবাদী শাসনক গৰিহনা দিয়ে। আজিৰ এই প্ৰতিবাদী জোঁৰ সমদলত আছু নেতা জয়ন্ত কুমাৰ ভট্টাচাৰ্য, জিলা ছাত্ৰ সন্থাৰ সভাপতি-সাধাৰণ সম্পাদক ক্ৰমে বিতোপন দাস, মাধুৰ্য শৰ্মাকে ধৰি জিলাখনৰ কেইৰাখনো আঞ্চলিক সমিতিৰ দুই শতাধিক ছাত্ৰ কৰ্মী উপস্থিত থাকে।

## কংগ্ৰেছক বিদায় প্ৰাক্তন সাংসদ দ্বিজেন শৰ্মাৰ

**ই -সংবাদ, ১২মাৰ্চঃ** জ্যেষ্ঠ কংগ্ৰেছ নেতা তথা ৰাজ্যিক উপ-সভাপতি দ্বীজেন শৰ্মাই পদ ত্যাগ কৰাৰ ঘোষণা কৰিছে৷ লোকসভাৰ টিকট ঘোষণাৰ পূৰ্বেই কংগ্ৰেছৰ সকলো পদ ত্যাগ কৰাৰ ঘোষণা কৰিছে দ্বীজেন শৰ্মাই৷ প্ৰদেশ কংগ্ৰেছৰ উপ-সভাপতি ৰূপে কাৰ্যনিৰ্বাহ কৰি থকা শৰ্মাই প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন বৰালৈ পদত্যাগ পত্ৰ প্ৰেৰণ কৰিছে৷ দিল্লীত অসমৰ তালিকা চূড়ান্ত হোৱাৰ পাছতে এই সিদ্ধান্ত লয়৷ জানিব পৰা মতে, শৰ্মাই গুৱাহাটী সমষ্টিত টিকট বিচাৰিছিল৷ গুৱাহাটীৰ লোকসভা সমষ্টিত মীৰা বৰঠাকুৰে টিকট বিচাৰিছে৷ দিল্লীত টিকট চূড়ান্ত হোৱাৰ লগতে তালিকাত নাম নাই বুলি ঠিৰাং হোৱাৰ পাছতে উপ-সভাপতিৰ পদ ত্যাগ কৰে।

# ন্যায়ালয়, ৰাজপথ, বেলট বাকচত চলিব প্ৰতিবাদ

## 'কা'ৰ বিৰুদ্ধে ভূপেন বৰাৰ হুংকাৰ






**নতুন দিল্লী, ১২ মাৰ্চঃ** দেশত 'কা' বলৱৎ হোৱাৰ পাছতে আজি ৰাজ্যজুৰি কংগ্ৰেছে প্ৰতিবাদ সাব্যস্ত কৰিছে। আজি প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন বৰাই এখন সংবাদমেল সম্বোধন কৰি বিজেপি দল আৰু চৰকাৰক তীব্ৰ আক্ৰমণ কৰে। অসমত বিদেশী সমস্যা দীঘলীয়া। আমি তাৰ ভুক্তভোগী। ১৯১৭ চনৰ ২৪ মাৰ্চ নাগৰিকত্বৰ দিন ধাৰ্য কৰা হৈছে। ১৯১৭ চনৰ ২৪ মাৰ্চ বিদেশী ৰাখি অসমে উদাৰতা দেখুৱালে। আছু আৰু ৰাজীৱ গান্ধীৰ চুক্তি কৰিছিল। অসম চুক্তিক আমি অসমীয়াই সৰ্বপ্ৰকাৰে মানি আহিছো। নতুনকৈ অসমে মানুহ ল'ব নোৱাৰে। সেয়া হিন্দু, মুছলমান, খ্ৰীষ্টান, জৈন যিয়ে নহওক কিয়। এই কথা হিমন্ত বিশ্ব শৰ্মাও কৈছিল। 'বিজেপি আয়েগা-বিদেশী যায়েগা বুলি কৈছিল বিজেপিয়ে। দেশৰ ভিতৰত অসমত জনগাঁথনি বেছি। ব্ৰহ্মপুত্ৰখনৰ মাটি বাদদিলে আমি জনগাঁথনি বেছি থকা ৰাজ্য। মুখ্যমন্ত্ৰীয়ে আগতে কৈছিল আমি আৰু মানুহ ল'ব নোৱাৰো। কিন্তু নিৰ্বাচনৰ পূৰ্বে নতুন আইন বলৱৎ কৰাটো ৰাজনৈতিক উদ্দেশ্যে প্ৰণোদিত। ভোটৰ অংক কৰি জাতি ধ্বংস কৰিবলৈ এই আইন আনিছে। আমিএই কথাৰ তীব্ৰ বিৰোধ কৰিছো। ১৬ বিৰোধী দল আৰু কংগ্ৰেছে প্ৰতিবাদ কৰিছো। হৰতাল কৰিছো। আজি পুৱা আৰক্ষীৰ জাননী পাইছো। আন্দোলন বেআইনী বুলি কৈছে। সংবিধানত তেনে কথা কতো লিখা নাই। মুখ্যমন্ত্ৰীয়ে প্ৰতিবাদ কৰিলে ৰাজনৈতিক দলৰ পঞ্জীয়ন বাতিল কৰিম বুলি কৈছে। কিন্তু আইনত তেনে কথা কতো লিখা নাই। মুখ্যমন্ত্ৰী আৰু গৃহ বিভাগে জনসাধাৰণ বিভ্ৰান্ত কৰিবলৈ আৰু কিছুমান সংগঠনক ভয় খুৱাবলৈ এনে কথা কৈছে। এয়া ভাবুকিহে। মুখ্যমন্ত্ৰীয়ে তেনে কৰিবলৈ অধিকাৰ নাই। অসম আৰক্ষীক আহ্বান, আন্দোলনথলীত যাতে বিজেপিৰ মানুহ আহি আক্ৰমণ কৰিব নোৱাৰে তাৰ ব্যৱস্থা কৰিব লাগে। আন্দোলন শান্তিপূৰ্ণভাবে কৰিম। আন্দোলনকাৰীৰ দায়িত্ব অসমআৰক্ষীয়ে ল'ব লাগিব। উচ্চতম ন্যায়ালয়ৰ কাষ চাপিম যাতে আন্দোলনকাৰীৰ সুৰক্ষাৰ ব্যৱস্থা কৰে। সকলো সংগঠন, বুদ্ধিজীৱি, ব্যক্তিবিশেষে বেলেগে প্ৰতিবাদ কৰিব নালাগে। কা' প্ৰতিহত কৰিবলৈ একত্ৰিত আন্দোলন কৰো আহক। ইচ্ছ্যু ভিত্তিক অসহমত, আদৰ্শভিত্তিক অমিল থাকিলেও আহক আমি জাতিৰ বিপদৰ সময়ত একত্ৰিত হৈ প্ৰতিবাদ কৰো। আমি কংগ্ৰেছ মঞ্চৰ তলত বহিবলৈ, ডাইচৰ সন্মুখত বহিবলৈ সাজু আছো। আমি আন্দোলন কৰিহে আন্দোলন কৰিব লাগিব। আছু, জাতিয়তাবাদী যুৱ-ছাত্ৰ পৰিষদে আন্দোলনকাৰীৰ দায়িত্ব লওক। আমি আপোনালোকৰ নেতৃত্বত আন্দোলন কৰিবলৈ সাজু। ভাষা সংস্কৃতি, অৰ্থনীতি শেষ কৰিব। আমি স্বাভিমান, ৰাজনৈতিক অহংকাৰ বাদ দিবলৈ সাজু। আমাৰ আন্দোলন তিনি ঠাইত চলিব। ন্যায়ালয়ত, ৰাজপথত আৰু বেলট বাকচত প্ৰতিবাদ চলাব লাগিব। অসম চৰকাৰৰ প্ৰাক্তন অতিৰিক্ত মহাধিবক্তা কৃষ্ণা শৰ্মাক প্ৰদেশ কংগ্ৰেছৰ হৈ আদালতত 'কা'ৰ বিৰুদ্ধে যুঁজিবলৈ দায়িত্ব প্ৰদান কৰে ভূপেন বৰাই। কৃষ্ণা শৰ্মাক আইনী দল গঠন কৰিবলৈ আহ্বান জনোৱাৰ লগতে কৰিবলৈ আহ্বান কয়। সংবাদমেলত অসম প্ৰদেশ কংগ্ৰেছৰ সভাপতিৰ নৱ-নিযুক্ত ৰাজনৈতিক উপদেষ্টা প্ৰদ্যুৎ বৰা উপস্থিত থাকে।

# বোকাজানত ‘কা’ বাতিলৰ দাবীত দল-সংগঠনৰ প্ৰতিবাদ




**ই-সংবাদ, বোকাজান, ১২ মাৰ্চঃ** বোকাজান, ১২ মাৰ্চঃ নাগৰিকত্ব সংশোধনী আইন দেশজুৰি বলবৎ হোৱাৰ লগে লগে প্ৰতিবাদত উত্তাল হৈ পৰিছে সমগ্ৰ অসম। ইয়াৰ অংশ হিচাপে আজি কাৰ্বি আংলং জিলাত আইনখনৰ বিৰুদ্ধে ব্যাপক প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ন কৰা হয়। আজি দিনৰ প্ৰায় এঘাৰ বজাত অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদৰ উদ্যোগত বকলীয়াঘাট নগৰৰ মাজমজিয়াত অসমৰ মুখ্যমন্ত্ৰী আৰু কেন্দ্ৰীয় গৃহমন্ত্ৰীৰ পুত্তলিকা দাহ কৰে। প্ৰতিবাদকাৰীসকলে লগতে বিতৰ্কিত আইনখন বাতিলৰ দাবীত বিভিন্ন শ্ল’গানেৰে পৰিৱেশ উত্তাল কৰি তোলে। আনহাতে, আজি সন্ধিয়াৰ ভাগত বোকাজানত অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদ আৰু ৰাজনৈতিক দল এপিএইচএলচিৰ উদ্যোগত প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ন কৰাৰ লগতে প্ৰধানমন্ত্ৰী আৰু কেন্দ্ৰীয় গৃহমন্ত্ৰীৰ পুত্তলিকা দাহ কৰি উত্তাল প্ৰতিবাদ সাব্যস্ত কৰে। এপিএইচএলচিৰ সভাপতি জন ইংতি কাথাৰে প্ৰতিবাদী কাৰ্যসূচীত অংশগ্ৰহণ কৰি বিতৰ্কিত আইনখন উত্তৰ পূবৰ লগতে ষষ্ঠ অনুসূচীভুক্ত এলেকাত কা কাৰ্যকৰী নোহোৱাৰ দাবী সত্য নহয় বুলি দাবী কৰি আইনখন শীঘ্ৰেই কৰাৰ দাবী জনায়।

# কা’ বলৱৎ কৰাৰ পিছতে ছিকিমত উদ্বিগ্ন বিৰোধী

**ই-সংবাদ, ১২মাৰ্চঃ** কা’ বলৱৎ কৰাৰ পাছতে ছিক্কিম ডেম'ক্ৰেটিক ফ্ৰণ্ট দলে চিন্তা ব্যক্ত কৰিছে৷ ছিক্কিমৰ থলুৱাক সুৰক্ষা দি অহা অনুচ্ছেদ ৩৭১ এফ বিপদত পৰাৰ আশংকা কৰা হৈছে৷ কেন্দ্ৰীয় গৃহ মন্ত্ৰী অমিত শ্বাহে সংসদত দিয়া আশ্বাস মিছা আছিল বুলি কয় ছিক্কিম ডেম'ক্ৰেটিক ফ্ৰণ্টে। অনুচ্ছেদ ৩৭১ এফ-ৰ অধীনত ৰাজ্য চৰকাৰৰ এটা প্ৰস্তাৱ গৃহীত কৰিব লাগিছিল৷ প্ৰস্তাৱ গৃহীত কৰিলে আৰু চি.এ.এৰ পৰা ছিক্কিম বাদ পৰিলহেঁতেন৷ কিন্তু ৰাজ্য চৰকাৰে এনে প্ৰস্তাৱ গৃহীত নকৰিলে৷ ফলত অনুপ্ৰৱেশকাৰীৰ অনুপ্ৰৱেশ বৃদ্ধি হ'ব পাৰে, ছিক্কিমৰ বৰ্তমানৰ বাসিন্দাসকলৰ দৰে অধিকাৰ লাভ কৰিব বুলি আশংকা ব্যক্ত কৰিছে ছিক্কিম ডেম'ক্ৰেটিক ফ্ৰণ্ট দলে৷ বিজেপি দলত যোগদান কৰা সামাজিক কৰ্মী পাচাং শ্বেৰ্পাই কেন্দ্ৰীয় গৃহমন্ত্ৰীয়ে সংসদত কৰা মন্তব্যক লৈ কয় যে অনুচ্ছেদ ৩৭১এফৰ দ্বাৰা সুৰক্ষিত ছিক্কিমে বিতৰ্কিত চিএএৰ কাৰ্যকৰীকৰণ নহ’ব পাৰে বুলি কয়। ভাৰতীয় সংবিধানৰ অনুচ্ছেদ ৩৭১এফ-এছিকিমক বিশেষ সুবিধা প্ৰদান কৰে৷ যাৰ ফলত অনন্য মৰ্যাদা আৰু স্বায়ত্তশাসন নিশ্চিত কৰে। অৱশ্যে, গৃহমন্ত্ৰী অমিতশ্বাহৰ আশ্বাস স্বত্বেও চি.এ.এ. কাৰ্যকৰী বা প্ৰত্যাখ্যান কৰাৰ সিদ্ধান্ত এতিয়া ৰাজ্যিক বিধানসভাৰ ওপৰত ন্যাস্ত। ১৯৭৫ চনত ভাৰতৰ সৈতে একত্ৰিত হোৱাৰ পিছত ছিক্কিমৰ বাবে নিৰ্মিত এক বিশেষ ব্যৱস্থা অনুচ্ছেদ ৩৭১এফ-এ ৰাজ্যখনৰ অনন্য পৰিচয় আৰু সাংস্কৃতিক ঐতিহ্য সুৰক্ষিত কৰে। এই সাংবিধানিক ব্যৱস্থাই ছিক্কিমক কেইবাটাও পৃথক বিশেষাধিকাৰ প্ৰদান কৰে৷

শেষ পৃষ্ঠা

# ৰঞ্জি ফাইনেলত শক্তিশালী মুম্বাই

**মুম্বাই, ১২ মাৰ্চঃ** মুম্বাই ক্ৰিকেট দলে ৪২ সংখ্যক ৰঞ্জি ট্ৰফী খিতাপ জয়ৰ দিশত অগ্ৰসৰ হৈছে। দলটোৱে দ্বিতীয় ইনিংছত মুশ্বীৰ খান (১৩৬), আজিংকে ৰাহাণে (৭৭), শ্ৰেয়াছ আয়াৰ (৯৫) আৰু শ্বামছ মুলানী (অপৰাজিত ৫০)ৰ দৃঢ়তাপূৰ্ণ বেটিঙৰ সহায়ত বিদৰ্ভৰ বিৰুদ্ধে ৰঞ্জী ট্ৰফীৰ চুড়ান্ত মেচখনত চালকৰ আসনত আৰোহণ কৰিছে মুম্বায়ে। দ্বিতীয় ইনিংছত মুম্বায়ে আটাইকেইটা উইকেট হেৰুৱাই ৪১৮ ৰাণ সংগ্ৰহ কৰে আৰু বিদৰ্ভক জয়ৰ বাবে ৫৩৮ ৰাণৰ বিশাল বিজয়লক্ষ্য বান্ধি দিয়ে। প্ৰথম ইনিংছত ১১৯ ৰাণৰ অগ্ৰগতি লাভ কৰা মুম্বায়ে দ্বিতীয় ইনিংছত সতৰ্কতাৰে আগবাঢ়ে আৰু বিপক্ষৰ বাবে গগনচুম্বী বিজয়লক্ষ্য নিৰ্দ্ধাৰণ কৰাত চেষ্টাৰ কোনো ক্ৰুটি নকৰিলে। জাতীয় টেষ্ট দল আৰু ভাৰতীয় ক্ৰিকেট বৰ্ডৰ বাৰ্ষিক চুক্তিৰ পৰা বাদ পৰি বৰ্তমান চৰ্চাত থকা শ্ৰেয়াছ আয়াৰেও প্ৰয়োজনীয় সময়তেই ফৰ্মলৈ উভতি আহে আৰু মাত্ৰ ১১১ টা বলত ৯৫ ৰাণৰ আক্ৰমণাত্মক ইনিংছ খেলে। সমগ্ৰ ৰঞ্জী ছিজনটোতেই অফ ফৰ্মত থকা ৰাহানেও বেটেৰে ৰান পায়। মুম্বাইৰ ইনিংছৰ আটাইতকৈ আকৰ্ষণীয় দিশটো আছিল ভাৰতীয় ক্ৰিকেটৰ আগন্তুক দিনৰ 'নৱোদিত সূৰ্য্য' মুশ্বীৰ খানৰ ধ্ৰুপদী বেটিং। বিদৰ্ভৰ হৈ হৰ্ষ ডুবেই পাঁচটা উইকেট দখল কৰে যদিও তাৰবাবে তেওঁ খৰচ কৰিবলগীয়া হয় ১৪৪ ৰাণ। হাতত দুটা দিন বাকী থকা অৱস্থাত বিদৰ্ভৰ বেটাৰে লক্ষ্যপ্ৰাপ্তিৰ বাবে শক্তিশালী মুম্বাইৰ বলিং আক্ৰমণৰ বিৰুদ্ধে কেনেদৰে মোকাবিলা কৰিব সেয়া লক্ষ্যণীয় হ'ব।

ALLEN EDUCARE
HOUSE NO.: 4, GUWAHATI COLLEGE ROAD, JYOTINAGAR (NEAR PUB GUWAHATI HIGH SCHOOL)
COMPUTER & MONTESSORY TEACHER TRAINING COURSE
COMPUTER
BCA
DCA
PGDCA
DTP
ADCA
MONTESSORY TEACHER TRAINING COURSE
LESSON PLANS
PRESENTATION CLASS
INTERVIEW SESSION
MOTOR SKILL DEVELOPMENT
HOW TO CREATE PROFESSIONAL BIO DATA
PLACEMENT 100% GUARANTEE
CONTACT US +91 78965-45243
ADMISSION GOING ON

বৰবালি জাতীয় বিদ্যালয়
(ছিনিয়ৰ ছেকেণ্ডাৰী স্কুল)
স্থাপিত ঃ ২০১১, বৰবালি ঃ হোজাই ঃ অসম ঃ পিন - ৭৮২৪৮১
২০২৪-২৫ শিক্ষাবৰ্ষৰ বাবে নামভৰ্তিকৰণ চলি আছে



অধিক তথ্যৰ বাবে যোগাযোগ কৰক - 7002516142, 8638689413, 7896861155

এইবাৰ নতুন ৰূপত আপোনাৰ গাইডেন্স
গুণগত শিক্ষাৰ প্ৰতিশ্ৰুতি আৰু নতুন উদ্যমেৰে আপোনাৰ পদুলি গাইডেন্স
GUIDANCE SENIOR SECONDARY SCHOOL
২০২৪-২৫ শিক্ষাবৰ্ষ নামভৰ্ত্তি চলি আছে
অংকুৰৰ পৰা নৱম শ্ৰেণীলৈ
An Institute of Quality Education
Run by:- HDSW Society
Salient Features
Well Trained Qualified Teachers.
Healthy & Peaceful Environment.
Scholarship for Meritonious Students.
Transport Facility.
PD & Spoken English.
Free Health Chek up.
Free Computer Education.



প্ৰতিটো ক্লাছত আসন মাত্ৰ ৩০
Murajhar (Ruhini Pathe) Hojai 8876310103 / 9678015016

newsnextone.comৰ দ্বাৰা গুৱাহাটীৰ পৰা অনলাইনযোগে প্ৰকাশিত আৰু News Next Oneৰ কাৰ্যবাহী সম্পাদক ধ্ৰুৱজ্যোতি ধনন্তৰিৰ দ্বাৰা সম্পাদিত। ই-মেইলঃ newsnextne@gmail.com, যোগাযোগ/হোৱাটছএপ নম্বৰঃ ৯৩৬৫২২৫২৪৮
বাৰ্তা সম্পাদকঃ ওৱাহেদৰ ৰহমান